## পাঠ - ১৫

# আমি জানিবলগীয়া কথা

U4E4B3



বাৰিষাৰ বতৰ । একেৰাহে কেইদিনমান বৰষুণ দি আছে । ৰাতিপুৱা ৰিতু-চুমিহঁত বিছনাত শুই থাকোঁতে বাহিৰত বহুতো মানুহৰ হুলস্থুল শুনিলে। সিহঁত দুয়ো খৰধৰকৈ বিছনাৰ পৰা উঠি আহি দেখে যে চাৰিওফালে পানী আৰু পানী। সিহঁতৰ চোতালখনো পানীত বুৰ গৈছে ।

ঘৰৰ ভিতৰলৈকেও লাহে লাহে পানী সোমাই আহিবলৈ আৰম্ভ কৰিছে। সিহঁতৰ চিন্তা লাগিল। সিহঁত এতিয়া ক'ত থাকিব ? দেউতাকে ক'লে যে ওচৰৰ নৈখনৰ এঠাইত মথাউৰি ভঙাৰ বাবে গাঁৱলৈ পানী সোমাই আহিছে । ইতিমধ্যে ৰিতুৰ মাক আৰু দেউতাকে ঘৰৰ বস্তুবোৰ বিছনাৰ ওপৰত তুলি থলে । দেউতাকে সজা কলৰ ভুৰত উঠি ঘৰৰ সকলোৰে মথাউৰিৰ ওখ ঠাইলৈ গ'ল।

**বৰষুণ অধিক হ'লে নৈখনৰ বাঢ়নী পানীয়ে লাহে লাহে পাৰৰ সমগ্ৰ অঞ্চল বুৰাই পেলায়। এয়াই হৈছে বানপানী। বানপানীয়ে মানুহৰ ঘৰ-দুৱাৰ, খেতি-পথাৰ, জীৱ-জন্তুৰ বিস্তৰ ক্ষতিসাধন কৰে।**

বানপানীৰ দৰে ধুমুহা, ভূমিকম্প আৰু জুই লাগি মানুহৰ লগতে জীৱ-জন্তু আৰু পৰিৱেশৰ ব্যাপক ক্ষতি কৰিব পাৰে। এইবোৰ একো একোটা **দুৰ্যোগ**। এই দুৰ্যোগবোৰ দুই ধৰণে ঘটে। কিছুমান প্ৰকৃতিয়ে আৰু কিছুমান মানুহে সৃষ্টি কৰা দুৰ্যোগ। ই যেতিয়াই তেতিয়াই হ'ব পাৰে।



### জানি লওঁ আহা—

### বানপানী হ'লে কি কি হয় —

- মানুহ আৰু জীৱ-জন্তুৰ খাদ্য আৰু আশ্ৰয়ৰ অভাৱ হয় ।
- খাদ্য আৰু খোৱা পানীৰ অভাৱ হয় ।
- বিভিন্ন ধৰণৰ বেমাৰ-আজাৰ হয় ।
- পৰিৱেশ দূষিত হয়।
- বাট-পথ ভাগি-ছিগি যাতায়াতৰ অসুবিধা হয় ।
- বানপানীৰ ফলত পলস পৰি মাটি সাৰুৱা হয়।
- কেতিয়াবা বালি জমা হৈ মাটি খেতিৰ বাবে অনুপযোগীও হয়।



### বানপানী হ'লে কি কৰিব লাগে—

- ওখ নিৰাপদ ঠাইত আশ্ৰয় ল'ব লাগে।
- পোহনীয়া জীৱ-জন্তুবোৰকো ওখ নিৰাপদ ঠাইলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে।
- পানীলৈ নামি যাব নালাগে।
- উদ্ধাৰকাৰীৰ সহায় ল'ব লাগে।
- খোৱা পানী উতলাই খাব লাগে।
- য'তে-ত'তে শৌচ-প্ৰস্ৰাৱ কৰিব নালাগে।
- ঘৰৰ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি দিব লাগে।



**বানপানীৰ বাবে কি ধৰণে সজাগ হ'ব লাগে—**

- পাৰিলে শুকান খাদ্য, খোৱা পানী, কেৰাচিন আদি মজুত কৰি ৰাখিব লাগে।
- বীজাণুনাশক দ্ৰব্য সংৰক্ষণ কৰি থব লাগে ।
- ৰেডিঅ' আৰু দূৰদৰ্শন যোগে দিয়া ঘোষণা আৰু চৰকাৰে দিয়া জাননীৰ প্ৰতি সজাগ হৈ থাকিব লাগে।




**ভূমিকম্পৰ সময়ত কি কৰিব লাগে—**

- ভূমিকম্পৰ সময়ত ঘৰৰ ভিতৰত থাকিব নালাগে।
- মুকলি ঠাইলৈ ওলাই যাব লাগে।
- ডাঙৰ পকীঘৰত থাকিলে ঘৰৰ চুকত আশ্ৰয় ল'ব লাগে ।
- মুকলি ঠাইত থাকিলে শুই পৰিব লাগে ।
- ঘৰৰ ভিতৰত থাকোঁতে বিছনা বা মেজৰ তলত আশ্ৰয় ল'ব লাগে ।




- বিদ্যালয়ৰ ভিতৰত থকা সময়ত ভূমিকম্প আহিলে বেঞ্চ বা মেজৰ তলত আশ্ৰয় লৈ খুটাত খামুচি ধৰি থাকিব লাগে।



**ধুমুহা আহিলে কৰিবলগীয়া—**

- নিৰাপদ ঠাইত আশ্ৰয় ল'ব লাগে ।
- জ্বলি থকা জুই নুমুৱাই থব লাগে ।
- গছৰ তলত আৰু বিজুলী তাঁৰৰ তলত থাকিব নালাগে ।
- উভালি পৰা বিজুলী খুঁটাৰ তাঁৰ হাতেৰে চুব নালাগে।



- ওপৰৰ ছবিখনত আৰক্ষীয়ে গাড়ীচালকক কি নির্দেশ দিছে কোৱা।

ৰাস্তাত যান-বাহন চলোৱাৰ কিছুমান নিয়ম আছে। নিয়মসমূহ মানি নচলিলে নানান বেমেজালি ঘটিব পাৰে, কেতিয়াবা ডাঙৰ বিপদো ঘটিব পাৰে। নিয়ম নমনা চালকক যান-বাহন নিয়ন্ত্রণ আইনে দোষী বুলি গণ্য কৰে।

- গাড়ীচালকসকলে আৰক্ষীৰ নির্দেশ মানি নচলিলে কি কি অসুবিধা হ'ব পাৰে ভাবি লিখা—

**যান-বাহনত উঠোঁতে মানি চলিবলগীয়া কথা—**

- যান-বাহনত শাৰী পাতি এজন এজনকৈ উঠিব লাগে ।
- ঠেলা-হেঁচা কৰিব নালাগে।
- গাড়ী লাহে লাহে চলি থকা অৱস্থাত জাঁপমাৰি উঠা-নমা কৰিব নালাগে ।
- নমাৰ সময়ত গাড়ীখন যোৱাৰ ফালে মুখ কৰি নামিব লাগে ।
- গাড়ীৰ ভিতৰত বহি থকা অৱস্থাত খিৰিকীৰে বাহিৰলৈ হাত-মূৰ উলিয়াব নালাগে।
- উঠা আৰু নমাৰ সময়ত গাড়ীৰ দুৱাৰ মুখত ভৰি দিব লাগে আৰু হেণ্ডেলত ভালকৈ ধৰি উঠা-নমা কৰিব লাগে।



➤ খোৱাৰ পিছত পেলনীয়া বস্তুবোৰ কি কৰিবা।

য'তে-ত'তে বস্তু পেলাব নালাগে। নিৰ্দিষ্টকৈ ৰখা জাবৰ পেলোৱা বাকচতহে পেলাব লাগে।





## অনুশীলনী

১) উত্তৰ লিখা—

(ক) বানপানীয়ে আমাৰ কি অপকাৰ কৰে লিখা।

(খ) তোমাৰ অঞ্চলত বানপানীত ডুব যোৱা ঠাইবোৰৰ নাম লিখা।

(গ) ভূমিকম্প আহিলে ঘৰৰ ভিতৰত কিয় থাকিব নালাগে দলত আলোচনা কৰি লিখা।

(ঘ) খোৱাৰ পিছত পেলনীয়া বস্তুবোৰ ক'ত পেলাব লাগে লিখা।

২) শুদ্ধটোত (✓) চিন দিয়া —


বানপানী হ'লে —

(ক) খোৱা বস্তু ঢাকনী দি থব লাগে / নালাগে।

(খ) পানীলৈ নামি যাব লাগে/ নালাগে।

(গ) ওখ নিৰাপদ ঠাইত আশ্ৰয় ল'ব লাগে/ নালাগে।

(ঘ) প্ৰাণীবোৰক নিৰাপদ ঠাইলৈ নিব লাগে /নালাগে।



৩) খালী ঠাই পূৰ কৰা —

(ক) ভূমিকম্প হ'লে ঘৰৰ ভিতৰত থাকিব ..................................।

(খ) ধুমুহাৰ সময়ত গছৰ তলত থাকিব ..................................।

(গ) জুই লাগিলে তৎক্ষণাত .................................. বাহিনীক খবৰ দিব লাগে।

(ঘ) খোজ কাঢ়োঁতে সদায় নিজৰ .................................. যাব লাগে।

(ঙ) যান-বাহনত .............................. পাতি এজন এজনকৈ উঠিব লাগে।